# শুৱালকুছিত এনআৰচিৰ স্থবিৰতা এটা কম্পিউটাৰ ৮ হাজাৰ পৰিয়াল



বিশেষ বাৰ্তা, আমিনগাঁও, ১১ জুলাইঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণত অসম চৰকাৰ বাৰু কিমান সচেতন? এন আৰ চি উন্নীতকৰণত সাধাৰণ জনতাৰ যিমান আগ্ৰহ, ইয়াৰ বিপৰীতে এই কাৰ্য ব্যৰ্থ কৰাৰ বাবে চৰকাৰ যেন উঠিপৰি লাগিছে। যিকোনো বাধাৰ দ্বাৰা এন আৰ চি উন্নীতকৰণ নহওক বা বিলম্ব হওক, এয়াই যেন চৰকাৰৰ প্ৰতিজ্ঞা। অসম চৰকাৰৰ এই অদৃশ্য কাৰ্যৰ শেহতীয়া উদাহৰণ শুৱালকুছি। ৫১নং জালুকবাৰী সমষ্টিৰ অন্তৰ্গত শুৱালকুছিত তিনিটা এন আৰ চি সেৱা কেন্দ্ৰ আছে। এই তিনিটা সেৱা কেন্দ্ৰৰ এটা পূব শুৱালকুছি, এটা মধ্য শুৱালকুছি আৰু এটা পশ্চিম শুৱালকুছিত। বিভাগীয় কৰ্তৃপক্ষই অবিবেচকভাৱে পশ্চিম আৰু পূব শুৱালকুছিৰ পৰা একোটাকৈ অংশ কাটি আনি মধ্য শুৱালকুছি সেৱা কেন্দ্ৰত জাপি দিয়াত এই কেন্দ্ৰটোৱে এতিয়া বোজা টানিব নোৱাৰা হৈছে। ফলত প্ৰকৃত পৰিয়ালৰ সংখ্যা বাঢ়ি ৩,৭১৪টাৰ সলনি ৮,৪১৯টা পৰিয়াল হৈছে। এই বৰ্ধিত সংখ্যাৰ পৰিয়ালৰ এন আৰ চি আবেদন গ্ৰহণ কৰা আৰু তাক কম্পিউটাৰত আপলোড কৰাত যথেষ্ট অসুবিধা আহি পৰিছে। সেৱা কেন্দ্ৰটোত ১৭জন এফ এল অ'ৰ বিপৰীতে এজন মাত্ৰ বিষয়া নিয়োগ কৰা হৈছে। আনহাতে যি দুটা কম্পিউটাৰ আছে, ইয়াৰে এটা আজি এসপ্তাহ ধৰি বিকল হৈ আছে। গতিকে এটা কম্পিউটাৰেৰে দিনটোত ৪০খনৰ অধিক আবেদন-পত্ৰ আপলোড কৰিব নোৱাৰে। তদুপৰি দিনটোৰ প্ৰথম ভাগত লিগেচী ডাটা ডাউনলোড কৰোঁতেই যায়। পৰিয়ালৰ সংখ্যা অনুপাতে কেন্দ্ৰটোত অতি কমেও পাঁচটা কম্পিউটাৰৰ প্ৰয়োজন। আনহাতে, যিটো কোঠাত এন আৰ চিৰ কাম-কাজ কৰি থকা হৈছে, সেইটো সৰু আৰু ঠেক। ফলত আবেদনকাৰী অসুবিধাত পৰাৰ লগতে বিষয়া-কৰ্মচাৰীসকলো বিভিন্ন অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। জানিব পৰা মতে, সেৱা কেন্দ্ৰটোৰ বিষয়াগৰাকীয়ে বিকল হৈ থকা কম্পিউটাৰটো মেৰামতি কৰাৰ লগতে অধিক কম্পিউটাৰ যোগান ধৰিবলৈ উৰ্ধ্বতন কৰ্তৃপক্ষক বাৰম্বাৰ অনুৰোধ কৰাৰ পাছতো আজিলৈকে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। ১০ জুলাইলৈকে কেন্দ্ৰটোত মাথোঁ আঠশখনহে এন আৰ চি আবেদন গ্ৰহণ কৰিছে। এনেদৰে চলিলে কেতিয়া সমাপ্ত হ'ব, সেয়া সহজেই অনুমেয়। এনেদৰেই চলিছে এন আৰ চি উন্নীতকৰণৰ কাম। এইক্ষেত্ৰত জাতীয় সংগঠনসমূহৰ মৌনতা লক্ষণীয়।